# প্ৰধানমন্ত্ৰীয়ে ভি.ডি.এন.কে.এইচ ৰোজাটম পেভিলিয়ন পৰিদৰ্শন কৰে

09 জুলাই, 2024

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে আজি মস্কোৰ অখিল ৰাছিয়ান প্ৰদৰ্শনী কেন্দ্ৰ ভি.ডি.এন.কে.এইচ. পৰিদৰ্শন কৰে।

2. দুয়োগৰাকী নেতাই ভি.ডি.এন.কে.এইচত থকা ৰোজাটম পেভিলিয়ন পৰিদৰ্শন কৰে। 2023 চনৰ নৱেম্বৰ মাহত উদ্বোধন কৰা ৰোছাটম পেভিলিয়ন হৈছে বৈজ্ঞানিক আৰু প্ৰযুক্তিগত বিকাশৰ ইতিহাসৰ এক সৰ্ববৃহৎ প্ৰদৰ্শনী। প্ৰধানমন্ত্ৰীয়ে অসামৰিক পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত ভাৰত-ৰাছিয়াৰ সহযোগিতাৰ এক ফটো প্ৰদৰ্শনীও প্ৰত্যক্ষ কৰে। প্ৰধানমন্ত্ৰীক ভাৰতৰ কুডানকুলাম পাৰমাণৱিক শক্তি প্ৰকল্পৰ (কে.কে.এন.পি.পি.)  প্ৰাণকেন্দ্ৰ ভি.ভি.ই.আৰ.-1000 ৰিয়েক্টৰৰ এটা স্থায়ী কাৰ্যক্ষম মডেল "এট'মিক ছিম্ফ'নী"ও প্ৰদৰ্শন কৰা হয়।

3. পেভিলিয়নত প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় আৰু ৰাছিয়ান শিক্ষাৰ্থীৰ সৈতেও মত বিনিময় কৰে। তেওঁ তেওঁলোকক বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনত ভৱিষ্যতৰ সম্ভাৱনীয়তাসমূহলৈ দৃষ্টি নিক্ষেপ কৰিবলৈ উৎসাহিত কৰে, যাৰ দ্বাৰা ভৱিষ্যৎ প্ৰজন্ম আৰু পৃথিৱীখনৰ কল্যাণ হ'ব পাৰে।

**মস্কো**
**09 জুলাই, 2024**